স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

(ডিব্ৰুগড় সংস্কৰণ/D

শক ☐ ১০ এপ্ৰিল ২০২৪ চন ☐ VOL-14 ☐ NO-36 ☐ WEDNESDAY 10 APRIL 2024

ভাত

ত—

স।

ৰ্বৰ দিৱস উদ্‌যাপন।

ন অৱ আমেৰিকা গঠন।

। টাকিয়াৰ জন্ম।

াচাওৰ জন্ম।

চেমুৱেল হ্যানিমেনৰ জন্ম।

বৰ বিহুৱা বাবুল বৰাৰ তত্ত্বাৱধানত অনুষ্ঠিত বিহু কৰ্মশালাত অংশগ্ৰহণ কৰা ঢুলীয়াসকলে ঢোলবাদন আৰু বিহুৱতীসকলে বিহু নৃত্য প্ৰদৰ্শন কৰি উপস্থিত দৰ্শকক আমোদ দিয়ে। বাবুল বৰাই মুখ্য প্ৰশিক্ষক মধুস্মিতা দত্ত আৰু অৰ্পিতা হাজৰিকাই প্ৰশিক্ষক হিচাপে সহযোগিতা আগবঢ়োৱা এই কৰ্মশালাত সম্প্ৰতি হেৰাই যাব ধৰা ঢোলৰ চাপৰ আৰু বিহু নৃত্যসমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক কৰ্মী, বিহুৱা জীৱন চক্ৰৱৰ্তী, ডাঃ গোলাপ ডেকা, সাংবাদিক যোগেশ ওজা, সমাজকৰ্মী হৰিশ শইকীয়া, যোগেন বৰা, গুণীন বৰা, অমৰ বৰুৱা উপস্থিত থাকে।

# কানৈত সাংবাদিকৰে অন্তৰংগ আলাপ



**বিশেষ বাৰ্তা, ডিব্ৰুগড, ৯ এপ্ৰিল ঃ** ‘মানুহে জীৱনত ভাগ্যক ধিয়াই থাকি সফলতা লাভ কৰিব নোৱাৰে। সফলতা লাভ কৰিবলৈ হ’লে এশ শতাংশ পৰিশ্ৰম, চেষ্টা আৰু সাধনাৰ প্ৰয়োজন। জীৱনত সেইসকল মানুহ সফল হ’ব পাৰে যিসকলে ভাগৰ, পৰিশ্ৰমক জীৱনৰ অন্যতম কৰ্তব্য আৰু উদ্দেশ্য বুলি অনুভৱ কৰে।’ অসমৰ জনপ্ৰিয় চেটেলাইট চেনেল ডি ৱাই-৩৬৫ৰ কাৰ্যবাহী সম্পাদক, সাংবাদিক, লেখক ড° কুমুদ দাসে এইদৰে কয়। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ আবাসীসকলৰ স’তে হোৱা এক অন্তৰংগ

১০ পৃষ্ঠাত

## বৰটিকা প্ৰাথমিক বিদ্যালয়ত গুমৰাগ বিহু নৃত্যৰ কৰ্মশালা

**নিয়মীয়া বাৰ্তা, মহুৰামুখ, ৯ এপ্ৰিল ঃ** মিচিং সাংস্কৃতিক সংঘ মিচিং



স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বার্তা

4 ☐ NO-36 ☐ WEDNESDAY 10 APRIL 2024 (ডিব্ৰুগড় সংস্কৰণ/D

*পঞ্চম পৃষ্ঠাৰ পৰা*

## কানৈত সাংবাদিকৰে অন্তৰংগ আলাপ

আলাপত তেওঁ কয়- যেতিয়া কোনো এটা কামত এশ শতাংশ আত্মনিয়োগ কৰা নহয়, তেতিয়া মানুহৰ ভাগৰ লাগে। যদিহে মনে-প্ৰাণে এশ শতাংশ কৰিব লগা কামটোত মনোযোগ দিয়ে, তেতিয়া কেতিয়াও ভাগৰ নালাগে। তেওঁ কয়- ভাগৰ মানে পৰিশ্ৰম কৰি ভাগৰি যোৱা প্ৰসংগক তেওঁ উল্লেখ কৰা নাই। জীৱনৰ লক্ষ্যত উপনীত হোৱা যাত্ৰাৰ প্ৰসংগতহে ভাগৰৰ কথা কোৱা হৈছে। তেওঁ কয় যে জীৱনত সফল হ'বলৈ হ'লে যিটো কাম কৰাৰ লক্ষ্য বান্ধি লোৱা হয় সেই লক্ষ্য অভিমুখে নিৰলসভাৱে আগুৱাই গ'লে মানুহৰ কেতিয়াও আমনি নালাগে। আলাপত তেওঁ অতি সুন্দৰ আৰু মননশীলভাৱে ব্যাখ্যা আগবঢ়াই কয়— কিছুমান মানুহ আছে যিসকলে জীৱনটোক সহজভাৱে গ্ৰহণ কৰে আৰু কৰিবলগা কাম এটা এতিয়া নকৰিলেও হয় বুলি মনৰ মাজলৈ আনে। আজি নকৰো কাইলৈ কৰিম বুলি ভাবি থকা মানুহসকলে জীৱনত কেতিয়াও সফল হ'ব নোৱাৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ মহাবিদ্যালয়খনৰ প্ৰতি থকা মৰম আৰু ভালপোৱাক কৃতজ্ঞতা জনাই তেওঁ কয় যে চৰকাৰী শিক্ষানুষ্ঠান মানেই লেতেৰা-পেতেৰা ভাব এটা মনলৈ আহে। কিন্তু কানৈ মহাবিদ্যালয়ৰ চৌহদলৈ আহি তেনে ভাব মনলৈ অহা নাই বুলি উল্লেখ কৰি কয়— কানৈ মহাবিদ্যালয় অতি পৰিষ্কাৰ মহাবিদ্যালয়। গোটেই চৌহদটোতে প্ৰৱেশ কৰিলে এক ইতিবাচক পৰিৱেশ মনলৈ আহে বুলিও তেওঁ কয়। ড° দাসে মহাবিদ্যালয়খনত নিজৰ ঘৰৰ আপোন অনুষ্ঠান হিচাপে গ্ৰহণ কৰি মহাবিদ্যালয়খনক ৰাষ্ট্ৰসংঘৰ মজিয়ালৈ লৈ যোৱা বাবে অধ্যক্ষগৰাকীক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত ছাত্ৰী নিৱাসৰ আৱাসীসকলে গীত, কবিতাৰ লগতে তেওঁলোকৰ মনৰ মাজত উদয় হোৱা কেইবাটাও প্ৰশ্ন উত্থাপন কৰে। প্ৰশ্নসমূহৰ যথাযথভাৱে উত্তৰ দিয়ে বিশিষ্ট সাংবাদিকগৰাকীয়ে। ইয়াৰ পূৰ্বে আৱাসীসকলে ড° দাসক মহাবিদ্যালয়ৰ মূল প্ৰৱেশ দ্বাৰৰ পৰা আৰতিৰে আদৰ-সাদৰ কৰি আদৰি আনে। অধ্যক্ষ ড° শশীকান্ত শইকীয়াই সাংবাদিকগৰাকীক অতি ব্যস্ততাৰ মাজতো মহাবিদ্যালয়খনলৈ আহি শিক্ষাৰ্থীসকলৰ স'তে জীৱনৰ সফলতা-বিফলতা, অনেক গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত অন্তৰংগ আলাপত ভাগ লোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত ছাত্ৰী নিৱাসৰ অধীক্ষিকা উৰ্মিলা ৰামচিয়াৰী, অধ্যাপক ড° জ্যোতিপ্ৰসাদ ফুকন আৰু জ্যোতি শইকীয়া উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়ায় চয়নিকা গগৈয়ে।

## বোকাখাত উচ্চতৰ মাধ্যমিক স্কুলৰ

ঘোষণা



…ৰকাৰে